# সাধাৰণ সম্পাদকৰ আদৰণি ভাষণ

## কাকজান মহাবিদ্যালয়

"অহিংসাই পৰম ধৰ্ম"

– *মহাত্মা গান্ধী*

পৰম শ্ৰদ্ধাৰ কাকজান মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ মাননীয় সভাপতি মহোদয় প্ৰমূখ্যে আজিৰ সভাৰ বিশিষ্ট অতিথি তথা কাকজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ হেমকান্ত হাজৰিকা ডাঙৰীয়া, আজিৰ সভাৰ মুখ্য আকৰ্ষণ, অসমৰ জনপ্ৰিয় অভিনেত্ৰী তথা চিনামৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপিকা শ্ৰীযুতা গীতাৱলী ৰাজকুমাৰী মহোদয়াৰ লগতে মহাবিদ্যালয়ৰ আদৰণিয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ,

- সন্মানীয় সংবাদ মাধ্যম, ছাত্র একতা সভাৰ সন্মানীয় সদস্যবৃন্দ, প্ৰিয় সহপাঠীসকল, ভাইটি-ভণ্টি তথা আজিৰ সভাৰ মুকুটা প্ৰিয়তম নৱাগতসকল। আপোনালোক সকলোলৈকে হৃদয়ৰ পৰা অভিনন্দন আৰু শ্ৰদ্ধা জনাইছো। কাকজান মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে অকালতে নিয়তিৰ হাতত নিজকে সমৰ্পন কৰিলে, সেইসকল ছাত্ৰ-ছাত্ৰীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।
- জয়জয়তেই নৱাগত সকলক হৃদয়ৰ গভীৰতম কোনৰ পৰা এই পৱিত্ৰ জ্ঞান মন্দিৰলৈ স্বাগতম জনাইছো। স্বাগতম জনাইছো আপোনালোকৰ সুপ্ত প্ৰতিভা আৰু উৎসাহক। শিক্ষা, সাংস্কৃতিক আৰু ক্ৰীড়াৰে সমৃদ্ধ কাকজান মহাবিদ্যালয়ক আপোনালোকে উচ্চ শিক্ষাৰ আদি খোজ হিচাপে হৃদয়ৰ তুলাচনীত নিৰ্বাচন কৰাৰ বাবে আপোনালোকক বহু বহু ধন্যবাদ জ্ঞাপন কৰিছো।

- আমাৰ মহাবিদ্যালয়ৰ বাবে কুঁহিপাত স্বৰূপ নৱাগতসকলক উদ্দেশ্যি মোৰ কলেজীয়া জীৱনৰ আঢ়ৈটা বছৰৰ সামান্য অনুভৱেৰে ক'ব বিচাৰিছো যে, প্ৰতিষ্ঠা কালৰে পৰা স্বৰ্ণজয়ন্তী লৈকে আমি কাকজানীয়ানে একতাৰ জৰীৰে বান্ধ খাই আছো। হয় কিছু কিছু ক্ষেত্ৰত একতাৰ জৰীডাল ঘাত-প্ৰতিঘাতৰ মাজেৰে সামান্যভাৱে শিথিল হ'ব পাৰে। তথাপিও এই শিথিলতাক নেওচি একতাৰ জৰীডালক সুদৃঢ় কৰিবলৈ আমি সূৰুযমুখী হৈ যৎপৰোনাস্তি চেষ্টা কৰিছো। চেষ্টা কৰিম আৰু এই একতাৰ বান্ধোনত মুঠি মাৰি ধৰিবলৈ নৱাগতসকলক মুকলি আহ্বান জনাইছোঁ।
- সূৰ্য বিহীন এন্ধাৰ পৃথিৱী আৰু একতা বিহীন পৰিয়ালৰ মাজত দূৰ পাৰ্থক্য নাই, ঘৰখন যেনেকৈ আপোনালোকৰ বাবে পৰিয়াল, তেনেকৈ মহাবিদ্যালয়খনো আমাৰ বাবে পৰিয়াল। যিদৰে একতা হৈছে আমাৰ ঘৰখনৰ বাবে সূৰ্য, সুখ আৰু সমন্বয়ৰ প্ৰতীক, তেনেকৈ আমাৰ মহাবিদ্যালয়খনৰ বাবেও একতা হৈছে মিলাপ্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক।

- মোৰ প্ৰিয়তম নৱাগত, ব্যক্তি সমাজৰ লগত আৰু সমাজ ৰাষ্ট্ৰৰ লগত। শক্তিশালী হ'বলৈ দেশ এখনে শক্তিশালী সমাজৰ ওপৰত নিৰ্ভৰ কৰে আৰু সমাজখন আকৌ শক্তিশালী হ'বলৈ শক্তিশালী মনৰ ব্যক্তিৰ ওপৰত নিৰ্ভৰ কৰে। কিয়নো, যেতিয়া এজন ব্যক্তিয়ে সমাজৰ পৰা নিজকে পৃথক কৰে আৰু জড়তাৰ আশ্ৰয় লয় তেতিয়াই সমাজৰ গঠন ভাঙি যায় আৰু দেশখনো দুৰ্বল হৈ পৰে।
- প্ৰিয় নৱাগতসকল, আমি সন্মুখীন হৈ আহিছো যে, বৰ্তমান সম্প্ৰদায়, সংস্কৃতি আৰু ভাষা এক আৱেগ আৰু হৃদয় বিদাৰক ৰণাঙ্গনত পৰিণত হৈছে। সম্প্ৰদায়, সংস্কৃতি আৰু ভাষা আমাৰ জাতিৰ সম্পদ। ইয়াক যুদ্ধং দেহি অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো অনুচিত। সেই চিন্তাই দেশখন ধ্বংস কৰি দিছে, তেনেকুৱা ধৰণৰ সাম্প্ৰদায়িক ভাষাই দেশখনক বিশৃংখল কৰি দিছে। হয়, আমাৰ সম্প্ৰদায়, ভাষা আৰু সংস্কৃতি পৃথক পৃথক। তাৰ মাজতো সমন্বয় আৰু সম্প্ৰীতিৰ সমাজখন গঠন কৰিবলৈ হ'লে আমি কিন্তু একতাত বিশ্বাস কৰিবই লাগিব।

- সাগৰত যিদৰে নদীসমূহে নিজৰ নিজৰ ৰং হেৰুৱাই একেৰঙী হ'বলৈ প্ৰয়াস কৰে তেনেকৈ ভিন ভিন শিক্ষানুষ্ঠানৰ পৰা অহা নৱাগতসকলে এই জ্ঞান সমুদ্ৰত নিজকে বিলীন কৰিব পাৰিব লাগিব, মহাবিদ্যালয়খনৰ নিয়ম-কানুন সমূহ মানি চলিব পাৰিব লাগিব, মহাবিদ্যালয়ৰ পোছাকযোৰ পিন্ধিবলৈ নিজকে বাধ্য কৰিব লাগিব। যেতিয়ালৈকে মহাবিদ্যালয়ৰ নিয়ম-কানুন সমূহ মানি চলিব পাৰিম তেতিয়াহে আমাৰ মাজত একতাটো জীয়াই থাকিব আৰু তেতিয়াহে কাকজান মহাবিদ্যালয়ৰ প্ৰতীকে প্ৰত্যেকজন নৱাগতৰ হৃদয়ত স্থান পাব।
- আৱেগ, উৎসাহেৰে পৰিপূৰ্ণ এই নৱাগত আদৰণি সভাখনত উপস্থিত থকা মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু, অতিথিবৃন্দ প্ৰিয়সকলো কাকজানীয়ানকে মই দৃঢ় বিশ্বাসেৰে জনাব বিছাৰিছো যে এই নৱাগত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য আৰু সংগীতত তথা সুকুমাৰ কলাত বিশেষভাৱে ৰাজত্ব কৰিব। কিয়নো আজিৰ নৱাগত সভাৰ দুটা দিনৰ আগত যিদৰে নৱ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ আগবাঢ়ি আহিল সেই সাহস আৰু বিৰল প্ৰতিভাসমূহ দেখি মই এই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক লৈ যথেষ্ট গৌৰৱ অনুভৱ কৰিছো।

- মহাবিদ্যালয় হৈছে এখন প্ৰতিভাৰ বৰপথাৰ, এই প্ৰতিভাৰ বৰপথাৰতেহ বিৰল প্ৰতিভা সমূহ বিকাশ কৰিবলৈ নৱাগত সকলক মই আদৰণি জনাইছো।
- হে নৱাগতসকল আমি কলাশাখা আৰু বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰায়েই সমবেত হৈ কাম কৰাৰ সুযোগ কমকৈ পাওঁ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যাতে মিলা-প্ৰীতি, ভাতৃত্ববোধ আৰু একতা গঢ় লৈ উঠে তাৰবাবে মহাবিদ্যালয়খনে  মহাবিদ্যালয় সপ্তাহ, ত্ত্বত্ৰত্ৰ গোট আৰু ত্ত্বট্ট্ৰ গোটৰ দৰে সুবিধা আগবঢ়াইছে। এই সুবিধাসমূহ সুন্দৰ আৰু সচেতনভাৱে ব্যৱহাৰ কৰি একতাৰ মন্ত্ৰ বোৱাই নিবলৈ নৱাগতসকলক অনুৰোধ কৰিছোঁ।

- অশেষ ব্যস্ততাৰ মাজতো আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি নৱাগত আদৰণি সভাখনত উপস্থিত থাকি আমাক আনন্দিত কৰাৰ বাবে পুনৰবাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সদৌশেষত মৰমৰ নৱাগতসকললৈ কবিতাৰ ভাষাৰে নৱাগতসকলক আদৰণি জনাই মোৰ অভিভাষণ সামৰিছো।

*হৃদয়ে হৃদয়ে বিলাবা একতাৰ বাণী*
*মুঠি মাৰি ধৰিবা একতাৰ জৰী।*
*পৱিত্ৰ জ্ঞান কাননত ফুলিবলৈ দিয়া*
*তোমাৰ প্ৰতিভাৰ ফুল,*
*সততা, একতাৰ বান্ধোনৰ পৰা*
*আঁতৰি নকৰিবা ভুল।*
*-*
*অমৰজিৎ বৰুৱা*
*ধন্যবাদেৰে -*
*জয়তু কাকজান মহাবিদ্যালয়*

(শ্ৰীঅমৰজিৎ বৰুৱা)
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা, কাকজান মহাবিদ্যালয়
২০১৭-১৮ বৰ্ষ